জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৫/২০২৩**

# শুৱালকুছিত অনুষ্ঠিত ৫৭ সংখ্যক ক্ৰছ কান্ট্ৰী ৰাষ্ট্ৰীয় এথলেটিকছ চেম্পিয়নশ্বিপস্থলীত উপস্থিত মুখ্যমন্ত্ৰী

## এই চেম্পিয়নশ্বিপে স্থানীয় যুৱ প্ৰজন্মৰ খেলুৱৈসকলৰ বাবে ক্ৰীড়াক কেৰিয়াৰ হিচাপে গ্ৰহণত উৎসাহিত কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ জানুৱাৰী ঃ** খেলুৱৈ, উদ্যোক্তা তথা ৰাইজক উৎসাহ প্ৰদানৰ লক্ষ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ শুৱালকুছিত অসম এথলেটিক সন্থাৰ উদ্যোগত দিনজোৰাভাৱে অনুষ্ঠিত হৈ থকা ৫৭ সংখ্যক ক্ৰছ কান্ট্ৰী ৰাষ্ট্ৰীয় এথলেটিকছ চেম্পিয়নশ্বিপৰ ক্ৰীড়াস্থলীত উপস্থিত হয়। উল্লেখ্য যে এই প্ৰতিযোগিতাত সমগ্ৰ দেশৰ ৬৬৯ গৰাকী খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছে। এই সকলৰ ভিতৰত ৩৮৩ জন পুৰুষ আৰু ২৮৬ গৰাকী মহিলা খেলুৱৈ।

ক্ৰীড়াস্থলীত উপস্থিত হৈ সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিযোগিতাই খেলুৱৈসকলক তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ এক উপযুক্ত মঞ্চ প্ৰদান কৰিব। তেওঁ লগতে কয় যে এই প্ৰতিযোগিতাই স্থানীয় যুৱ প্ৰজন্মৰ খেলুৱৈসকলৰ বাবে ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ দিশতো উৎসাহিত কৰিব। এনেধৰণৰ এক বৃহৎ পৰিসৰৰ ক্ৰীড়া প্ৰতিযোগিতা আয়োজনত সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁ স্থানীয় শুৱালকুছিবাসী ৰাইজৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰে। ক্ৰছ কান্ট্ৰী ৰাষ্ট্ৰীয় এথলেটিকছ চেম্পিয়নশ্বিপ আয়োজন কৰাৰ উদ্যোগ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসম এথলেটিক সন্থাকো প্ৰশংসা কৰে।

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনৰ সময়ত অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰৰ লগতে অন্যান্য কৰ্মকৰ্তাসকল উপস্থিত থাকে।

**অঃহাঃ / পুঃডেঃ**
**৮/১/২০২৩**